
মানস প্ৰতিম দত্ত

# পাঁচ জুনৰ কথাবোৰ





# পাঁচ জুনৰ কথাবোৰ

**মানস প্ৰতিম দত্ত**

# পাঁচ জুনৰ কথাবোৰ

**মানস প্ৰতিম দত্ত**

**প্ৰথম প্ৰকাশ:** লকডাউন, এপ্ৰিল ২০২০

**গ্ৰন্থস্বত্ব:** লেখক

**প্ৰচ্ছদ সজ্জা:** মানস

**ভিতৰৰ ফটো: ইণ্টাৰনেট**

**মূল্য:** অমূল্য

আকৌ

ধোঁৱাৰ মাজেদি উৰি গ'ল চৰাইটো

জলাশয়টোত ককবকাই সেইটো কাৰ

মাত

নীলমণি ফুকন

## অৰ্পণ

**পৃথিৱীৰ প্ৰতিজোপা গছৰ নামত**

**যাক আমি অজানিতে মাৰি পেলালোঁ......**

**পাঁচ জুনৰ কথাবোৰ**- এই কিতাপখনি শিক্ষাৰ্থীসকলৰ উপযোগীকৈ লিখা হৈছে। প্ৰকৃতিৰ সৈতে থকা আমাৰ আত্মীয়তা আৰু বান্ধোনক চিনাকি কৰি দিয়াটোৱেই এই কিতাপখনৰ মূল লক্ষ্য। আপোনালোকৰ দিহা-পৰামৰ্শ একান্তই কামনা কৰিলোঁ।প্ৰথমে ই-বুক হিচাপে আপোনালোকলৈ এই কিতাপখন আগবঢ়াই দিলোঁ, ইতিবাচক সহাঁৰি পালে ছপাৰূপত প্ৰকাশৰ চিন্তা কৰিম।

**মানস প্ৰতিম দত্ত**

ফোন:৮৬৩৮৮৭১২১৬

৮৬৩৮৭০৮০৭৮





মনদাদা আজিকালি ডিগবৈত থাকে। জোনাক,মাখন,মুনমীয়ে সেয়ে মনদাদাৰ পৰা কিবা নতুন কথা শিকিবলৈ হ'লে বন্ধ দিনলৈ অপেক্ষা কৰিব লাগে। অৱশ্যে বগীবিল দলংখন হোৱাৰে পৰা মনদাই ধেমাজিৰ নিজা ঘৰখনলৈ ইচ্ছা কৰিলেই আহিব পৰা হ'ল। পিছে মনদাৰ জানো কামৰ আজৰি আছে।

সিহঁতৰ দৰে অন্য স্কুলৰ ল'ৰা-ছোৱালীবোৰকো প্ৰকৃতিৰ কথা শিকাব লাগে। সিদিনাটো মনদায়ে ফোনত কৈছেই যে- এইকেইদিন মই পৰিৱেশৰ কথা তহঁতৰ নিচিনা কণমানিবোৰৰ সৈতে আলোচনা কৰিছো। সিহঁত বৰ আগ্ৰহী। তহঁত তিনিটাকো মই গছৰ কথা ক'ম। কি কি সুধিবলগীয়া আছে ঠিক কৰি থ'বি।

ক্রিং..ক্রিং..ক্রিং..কৈ মাকৰ ফোনটো বাজি থকাত মাকে জোনাকক
পাকঘৰৰ পৰাই চিঞৰিলে-
: জোন, ফোনটো ধৰচোন, মই শাক কুটি আছো।
: হ'ব মা বুলি কৈ জোন ফোনটোৰ ওচৰলৈ ল'ৰ দিলে।
:হেল্ল'.. অ' মন দা,... মায়ে ভাত বনাই আছে... ও...
পঢ়িছো.... কি.... কাহানিকে....ও.... হ'ব- বুলি কৈ ফোনৰ সংযোগ বিচ্ছিন্ন
কৰি জোন মাকৰওচৰলৈ লৰ দিলে।
মাকৰ কাষ পাই জোনাকে ফোপাই জোপাই জোনাকে
চিঞৰিবলৈ লাগি গ'ল:
আমাৰ মনদা আহি আছে , আমাৰ মন দা আহি আছে।
ডিগবৈত গাড়ীত উঠিলেই। আবেলি ঘৰ পাবহিয়েই, য়েই য়েই।





জোনাকহঁতৰ ঘৰ ধেমাজি জিলাৰ মাছখোৱাত। বৰদেউতাকৰ ল'ৰা মন ক'ত থাকে প্ৰথমতে কৈছিলো নহয় মনত আছেনে তোমালোকৰ?

মন থাকে ডিগবৈত। মন আহিলে আৰু সিহঁতক কোনে পায়! ধুনীয়া ধুনীয়া গছৰ কথাবোৰ, পৰিৱেশৰ কথাবোৰতো সিহঁতেটো মনৰ পৰাই শিকিছে।

আবেলি ৩ বজাত মন আহি ঘৰ পালেহি। তাক দেখাৰ লগে লগে মুনমীয়ে চিঞৰিবলৈ ধৰিলে: অ' মা মনদা আহি পালেহি।

জোনাক আৰু মাখনেও মুনমীৰ চিঞৰ শুনি মনৰ ওচৰ পালেহি।

: আহ , আহ । তিনিওটাৰ খবৰ ক। - মনে সুধিলে

: আমাৰ ভাল মনদা।

: তই ভৰি হাত ধুই ফ্ৰেছ হৈ ল যা। ইহঁতে বোলে তোক কিবা সুধিব।
অথনিৰে পৰা হুলস্থুল লগাই আছে বুজিছনে? -মাকে ক'লে।
:তহঁত বহ। মই সাউৎকৈ কাপোৰ জোৰ হলাই মুখ-হাত ধুই লওঁ ৰহ বুলি কৈ মনে বাথৰূমৰ ফালে খোজ ল'লে। মাকে মনৰ বেগটো দাঙি ইনো ইমান ভৰ্তি কৰি কি কি যে কিতাপ আনে বুলি ভোৰভোৰাই মনৰ ৰূম পালেগৈ। ৰূমত বেগটো থৈ সিহঁতক ক'লে- যা, কোনোবা এটাই ককায়েৰক গামোছা এখন দেগৈ, মই চাহ বনাওগৈ।
মনে মুখ হাত ধুই মাখনৰ হাতৰ পৰা গামোচাখনেৰে মুখ হাত মোহাৰি লৈ গামোছাখন বাৰাণ্ডাত মেলি আহিলগৈ।
তাৰ পাছত ক'লে
: তহঁতে কি সুধিম বুলি কৈ আছিলি সোধ এতিয়া?
: অ মনদা, বিশ্ব পৰিৱেশ দিৱস কেতিয়া আৰু কিয় পাতেনো?
-মাখনে টপৰকৈ মাত ল'গালে
:তিনিওটাই মোক এটা কথা কচোন পৰিৱেশ মানেনো কি?
:আমাৰ চৌপাশ- তিনিওটাই একেলগে মাত লগালে।
:ও, আমৰ চৌপাশৰ অৱস্থাটো যেতিয়া মানুহে নষ্ট কৰে তেতিয়াই পৰিৱেশৰ অৱক্ষয় ঘটে। অৱক্ষয় মানে ক্ষতি হোৱা বা লোকচান হোৱা। ই মানুহৰ বাবেই এক ভয়াবহ প্ৰত্যাহ্বান ।





বিশ্বৰ অৰ্থনৈতিক অৱস্থা টনকীয়াল কৰাৰ নামত বিভিন্ন সময়ত প্ৰতিষ্ঠা কৰা বিভিন্ন উদ্যোগৰ ভয়াবহতা সম্পৰ্কে আমি জ্ঞাত। ১৯৭৩ চনৰ ৫ জুনৰ পৰা পৰিৱেশ অৱক্ষয় ৰোধৰ উদ্দেশ্যে সমগ্ৰ বিশ্বতে পৰিৱেশ দিৱস পালন কৰি অহা হৈছে ।প্ৰতি বছৰে পৰিৱেশ দিৱসৰ সময়ছোৱাত বিভিন্ন বিষয় মিৰ্বাচন কৰা হয় আৰু জন গণক উক্ত বিষয়ৰ প্ৰতি সজাগ কৰিবলৈ বিভিন্ন প্ৰকৃতি প্ৰেমী সংগঠন সমূহে বিভিন্ন সজাগতা সভাৰ আয়োজন কৰে । কিন্তু কেৱল এটা নিৰ্দিষ্ট দিনত আয়োজন কৰা এই সভা সমিতিসমূহৰ মূল উদ্দেশ্য কাৰ্যক্ষেত্ৰত পৰিণত হ'ব নোৱাৰে আৰু কাৰ্যক্ষেত্ৰত পৰিণত কৰিব নোৱাৰাটোৱেই সমগ্ৰ মানৱ জাতিৰ বাবেই লজ্জাজনক ।

ইয়াৰ মূল কাৰণ কি সেয়া ফহিয়াই চালে এই কথা স্পষ্ট হৈ পৰে যে কেৱল সভা সমিতি পাতিয়েই পৰিৱেশ সংৰক্ষণ কৰাটো অসম্ভৱ। প্ৰতিজন নাগৰিকৰ মন মগজুত বৈজ্ঞানিক মানসিকতা সৃষ্টি অবিহনে এই ধুনীয়া পৃথিৱীখন যে সোণকালে প্ৰদূষণে পূতি পেলাব সেয়া ধ্ৰুৱপ।



:সেই কাৰণেই আমাক গছপুলি ৰুব কয় ন মনদা!

-জোনাকে সুধিলে।

:বিশ্বৱ পৰিৱেশ দিৱসৰ দিনা, বিশেষকৈ শিক্ষানুষ্ঠানসমূহত এই দিৱস আয়োজন কৰাটো বাধ্যতামূলক। প্ৰায় সংখ্যক বিদ্যালয়-মহাবিদ্যালয়ত পৰিৱেশ দিৱসৰ আগদিনা ছাত্ৰ ছাত্ৰীক বিদ্যালয়লৈ একোটিকৈ গছ পুলি ৰোপনৰ বাবে আনিবলৈ নিৰ্দেশ দিয়া হয়। -মনে ক'লে

:অ' মন দা আমাকো কয়- তিনিওটাই একেলগে মাত দিলে

:ও, শিক্ষাগুৰুৱে কয় বাবে প্ৰতিজন ছাত্ৰ ছাত্ৰীয়ে বিদ্যালয়লৈ একোটা পুলি আনিবলৈ চেষ্টা কৰে। কিন্তু কাৰ্যক্ষেত্ৰত দেখা যায় যে সৰহ সংখ্যক পুলিয়েই আনিব লাগে বুলিয়েই উভালি অণাৰ ফলত নষ্ট হৈ যায়। অৰ্থাৎ পৰিৱেশ সংৰক্ষণৰ বিশেষ দিনটোতে বহুতো গছপুলি ধ্বংস কৰি পেলোৱা হয়। সেয়েহে আমি ভাৱো পৰিৱেশ দিৱসৰ দিনা ৰোপন কৰিবলগীয়া গছ পুলিসমূহ বিদ্যালয়সমূহে নিজাববীয়াকৈ শিক্ষকৰ তত্বাৱধানত অনা উচিত। তদুপৰি গছপুলি ৰোপণৰ পাছত বাহ বা তাঁৰৰ বেৰ এখন দিয়ে দায়িত্ব সামৰাৰ সলনি নিৰ্দিষ্ট সময়ত গছপুলিটোৰ চোৱা চিতা কৰা, পানী দিয়া আদিৰ প্ৰতিও গুৰুত্ব দিয়া উচিত।-মনে ক'লে।



:অ হয়তো, যোৱাবছৰ আমাৰ বহুত পুলি ছাগলীয়ে খাইছিল আৰু বহুত পুলি হেৰাই গৈছিল নিজে নিজে- জোনাকে ক'লে।

:মনদা, পৰিৱেশ দিৱসৰ দিনা আমি দোকানৰ পৰা অনা দামী পুলিহে ৰুব লাগে নেকি বাৰু? মোৰ লগৰ চুমকিয়ে সিদিনা কৈছিল দোকানীৰ পৰা কিনি অনা গছপুলিহে হেনো পৰিৱেশ দিৱসত ৰোপন কৰিব লাগিব।

: ও, আমাৰ মাজত এক ভুল ধাৰণা আছে যে আমি পৰিৱেশ দিৱৰ দিনা কেৱল বিলুপ্তপ্ৰায় গছ অথবা ঔষধি গুণসম্পন্ন আৰু দামী গছসমূহ ৰোপন কৰাহে উচিত। এই ক্ষেত্ৰত মই ভাৱো বিদ্যালয়সমূহত নাৰিকল, কল আদিৰ পুলি ৰোৱা উচিত। ইয়াক বিভিন্ন সময়ত বিদ্যালয়লৈ অহা আলহী শুশ্ৰষা অথবা বিদ্যালয়ত আয়োজিত বিভিন্ন ক্ৰীড়া প্ৰতিযোগিতা, খেল ধেমালিৰ সময়ত বিশেষকৈ ব্যৱহাৰ কৰিব পৰা যাব । এনে কৰিলে খৰচ অবিহনেও ছাত্ৰ ছাত্ৰীৰ পুষ্টিকাৰক খাদ্য বিদ্যালয়খনে নিজেই যোগান ধৰিব পাৰিব।

এনেতে মাকে চাহ লৈ সিহঁতৰ ওচৰ পালেহি-

: বাকী কথা পাছত পাতিবি, এতিয়া বুলবুলি পিঠাৰ সৈতে চাহ খাই ল গোটেইকেইটাই ।

মাকৰ কথামতে গোটেইকেইটাই চাহ খাবলৈ বহিল।





কৰ্মশালা
সংস্কৃতি আৰু জৈৱ বৈচিত্ৰ সংৰক্ষণ
WORKSHOP ON
CONSERVATION OF BIO DIVERSITY & CULTURE
Place - Chala High School, Chalapather. Dist - Charaideo (Assam)
Date - 04 January, 2019
Organised by : 150 Years Celebration Committee of Chalapather Shyam Village
CLASS-X
2019.01.04 14:36